# অধিসূচনা
# ভাৰতীয় ৰিজাৰ্ভ বেংক

আৰ বি আই/২০০৭-০৮/১৪১
প্ৰসঙ্গ- ডি জি বি এ. চি দি দি নং এইছ-৩০২৪/১৩-০১-২৯৯/২০০৭-০৮

১৯ চেপ্তেম্বৰ, ২০০৭
২৮ ভাদ, ১৯২৯ শকাব্দ

মহা প্ৰবন্ধক
ভাৰতীয় ষ্টেট বেংক আৰু ১৭টা ৰাষ্ট্ৰীয়কৃত বেংক
আই চি আই চি আই বেংক লি:, আই ডি বি আই বেংক লি:, এইছ ডি এফ চি বেংক লি:
এক্সিছ বেংক লি: আৰু এছ এইছ চি আই এল

মহাশয়,

**৮% সঞ্চয় (কৰযোগ্য) ব'ণ্ড, ২০০৩- আয়কৰ আইন, ১৯৬১- টি ডি এছ**

আমাৰ ২০০৭ চনৰ ৩১ মে' তাৰিখৰ নিৰ্দেশনা পত্ৰ ডি জি বি এ. চি ডি ডি নং এইছ ১৭১৩৪/১৩.০১.২৯৯/২০০৬-২০০৭ৰ ক্ৰমণিকা অনুসাৰে ওপৰত উল্লেখ কৰা আঁচনিখনৰ অধীনত বণ্ডসমূহৰ সুতৰ ওপৰত উৎসস্থলতে কৰ কৰ্তন সম্পৰ্কীয় বিষয়সমূহৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ স্পষ্টীকৰণসমূহ তলত দাঙি ধৰা হ'ল:-

| ক্ৰমিক নং | বিষয় | মন্তব্য |
|---|---|---|
| (১) | বৰ্ত্তমান চলি থকা ব'ণ্ডৰ গ্ৰাহকীসকলৰ কৰ কৰ্তন কৰা হ'ব নে কেৱল ১/৪/২০০৭ তাৰিখৰ পিছত বিনিয়োগ কৰাসকলৰহে কৰ কৰ্তন কৰা হ'ব? | ৮% সঞ্চয় (কৰ যোগ্য) ব'ণ্ড ২০০৩ৰ ওপৰত উৎসস্থলতে কৰ কৰ্তন (TDS) ১/৬/২০০৭ তাৰিখৰ পৰা প্ৰযোজ্য হৈছে। যদিহে বিত্তীয় বছৰটোত সুতৰ পৰিমাণ ১০ হাজাৰ টকাৰ অধিক হয় তেন্তে ১/৬/২০০৭ তাৰিখত বা তাৰ পিছত ৮% সঞ্চয় (কৰযোগ্য) ব'ণ্ডৰ ওপৰত জমা বা পৰিশোধ কৰা যিকোনো সুতৰ ক্ষেত্ৰতে উৎসস্থলতে কৰ কৰ্তন (TDS) প্ৰযোজ্য হ'ব। সেয়েহে বিনিয়োগৰ তাৰিখৰ কোনো প্ৰাসঙ্গিকতা নাই। তেনেদৰেই, বৰ্তমান চলি থকা ব'ণ্ডৰ গ্ৰাহকীসকলৰ ক্ষেত্ৰতো উৎসস্থলতে কৰ কৰ্তন (TDS) প্ৰযোজ্য |

| | | |
|---|---|---|
| | | হ'ব। |
| (২) | যদিহে ১/৭/২০০৭ তাৰিখৰ পৰা দিবলগীয়া সুতৰ ওপৰত কৰ কৰ্তন কৰিব লগা হয় (১-১-২০০৭ ৰ পৰা ৩০-৬-২০০৭ সময়ছোৱাৰ সৈতে সম্পৰ্কিত) তেন্তে সুত বিচৰা জমাকৰ্তাক সুতৰ সবিশেষ বিৰৰণ আৰু ১-৭-২০০৭ৰ পৰা ৩০-৬-২০০৭ তাৰিখলৈকে সময়ছোৱাৰ কৰ কৰ্তনৰ তথ্যৰ সৈতে ১৬ 'ক' (16A) প্ৰপত্ৰ প্ৰদান কৰা হ'বনে? | হয়। য'তেই সুতৰ ওপৰত উৎসস্থলতে কৰ কৰ্তন (TDS) কৰা হয়, ত'তেই জমাকাৰীক ১৬ ক (16A) নং প্ৰপত্ৰ প্ৰদান কৰিব লাগে।<br><br>১/৬/২০০৭ তাৰিখৰ পৰা দিবলগীয়া সুতৰ ওপৰত কৰ কৰ্তন হ'ব লাগে।- ১/৭/২০০৭ ৰ পৰা নহয়। |
| (৩) | সঞ্চয়ী আঁচনি অনুসৰি ধন জমা কৰিব বিচৰা জমাকৰ্তাসকলৰ ক্ষেত্ৰত জমা আঁচনিৰ পূৰ্ণতাপ্ৰাপ্তি হ'লেহে কৰ কৰ্তন কৰা হ'ব নেকি? যিসকলে হিচাপৰ বাণিজ্যিক ব্যৱস্থা (mercantile system of accounting) গ্ৰহণ কৰিছে আৰু বিগত বছৰসমূহত কৰা অৰ্জনৰ ভিত্তিত সুত প্ৰদান কৰিছে তেওঁলোকৰ অৱস্থান কেনেধৰণৰ হ'ব? | কৰ কৰ্তনৰ ক্ষেত্ৰত পূৰ্ণতাপ্ৰাপ্তিৰ সময়লৈকে অপেক্ষাৰ প্ৰয়োজন নাই। সুতৰ ধন জমা বা আদায় দিয়াৰ সময়তেই কৰ কৰ্তন কৰিব লাগে। অৱশ্যে বিত্তীয় বছৰটোৰ সময়ছোৱাত জমা বা আদায় দিয়া সুতৰ পৰিমাণ ১০,০০০ (দহ হাজাৰ) টকাতকৈ অধিক হ'ব লাগিব। |

(২) আঁচনিখন চলাই থকা নিৰ্দ্দিষ্ট শাখাসমূহলৈ আপুনি প্ৰয়োজনীয় নিৰ্দেশনাৱলী জাৰি কৰিব পাৰে।

(৩) অনুগ্ৰহ কৰি প্ৰাপ্তি স্বীকাৰ কৰিব।

আপোনাৰ বিশ্বাসী

( বালু কে)
উপ মহা প্ৰবন্ধক